**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-05-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

—————————

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি কেইবাখনো গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰি ৰাজ্যৰ উন্নয়নৰ সৈতে জড়িত ভালেমান পদক্ষেপ সম্পৰ্কে আলোচনা কৰে। বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াৰ সৈতে অনুষ্ঠিত এই বৈঠকত ডিব্ৰুগড়ত স্থাপন হ'বলগীয়া ৰাজধানী পৰিষৰৰ কামকাজৰ মুখ্যমন্ত্ৰীয়ে বুজ লয়। তেওঁ লগতে সৰুসজাইত সেৱা ভিত্তিক প্ৰতিষ্ঠানৰ বাবে বিশেষ উন্নয়ন ক্ষেত্ৰ স্থাপন সন্দৰ্ভতো বিষয়াসকলৰ সৈতে আলোচনা কৰে। এই বৈঠকতে দ্বাৰকাত নিৰ্মিয়মান অসম ভৱনৰ কামকাজৰো তেওঁ বুজ লয়। এই বৈঠকত মুখ্যমন্ত্ৰীয়ে অসমৰ ষ্টাৰ্টআপৰ পৰিৱেশ আৰু ইয়াৰ উন্নয়নৰ পৰ্যালোচনা কৰে।

oooooo

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ, চিবিএছ্ইৰ অধীনৰ দশম শ্ৰেণীৰ ফলাফল ঘোষণা কৰাৰ পাছত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ নামভৰ্তিৰ বাবে আজিৰ পৰা দৰ্পন অনলাইন নামভৰ্তি পোৰ্টেল মুকলি কৰিছে। সেই অনুসৰি ছাত্ৰ-ছাত্ৰীসকলে আজিৰে পৰা ২০ মে' পৰ্যন্ত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তিৰ বাবে আবেদন কৰিব পাৰিব। সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহে ২৩ মে'ৰ ভিতৰত নামভৰ্তিৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব লাগিব। নামভৰ্তি সম্পৰ্কীয় তথ্যৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে বিভাগীয় ৱেৱছাইট www.ahsec.assam.gov.in বা darpan.ahsec online.in ত চাব পাৰিব। পৰিষদে লগতে কোনো পৰিস্থিতিতে নামভৰ্তিৰ বাবে অফলাইন আবেদন গ্ৰাহ্য কৰা নহব বুলি স্পষ্ট কৰি দিছে।

oooooo

অসম চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে ৰাজ্যৰ ২৩ খন চাহ বাগিচাৰ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰিছে। উল্লেখযোগ্য যে পূৰ্বতে চাহ বাগিচা অঞ্চলসমূহত দশম শ্ৰেণী পৰ্যন্তহে অধ্যয়নৰ ব্যৱস্থা আছিল যদিও ৰাজ্য চৰকাৰে চাহ বাগিচা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে এই হাইস্কুলসমূহক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰে। চলিত শিক্ষাবৰ্ষৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়সমূহৰ কলা শাখাত নামভৰ্তি কৰিব পাৰিব বুলি শিক্ষা বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

oooooo

ডিব্ৰুগড়ত আহোম সভাৰ ১৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে কালি পদ্মনাথ গোহাঁই বৰুৱা বঁটা বিশিষ্ট টাই গৱেষক, লেখক, সাহিত্যিক ড০ পুষ্প গগৈক প্ৰদান কৰা হয়। ডিব্ৰুগড় জিলা আহোম সভাৰ উদ্যোগত, সদৰ আঞ্চলিক আহোম সভা আৰু ডিব্ৰুগড়বাসী ৰাইজৰ সহযোগত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বঁটা গ্ৰহণ কৰি ড০ গগৈয়ে অসম সাহিত্য সভাৰ প্ৰথগৰাকী সভাপতি পদ্মনাথ গোহাঁই বৰুৱাৰ জীৱন আৰু কৃতি সম্পৰ্কে আলোকপাত কৰে। এই উপলক্ষে আয়োজিত মুকলি সভাত তিনিচুকীয়া মহিলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত মুৰববী অধ্যাপক উত্তম দুৱৰাই ভাষণ দিয়ে। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি ইন্দ্ৰ গগৈৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থখন ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জয়দেৱ গগৈয়ে

উন্মোচন কৰে। এই অনুষ্ঠানত মৰাণ সভা, মটক সন্মিলনী, চুতীয়া জাতি সন্মিলনীকে ধৰি বিভিন্ন সংগঠনৰ প্ৰতিনিধি উপস্থিত থাকে।

০০০০০০

অসম চৰকাৰৰ অসম দৰ্শন আঁচনিৰ অধীনত ডিব্ৰুগড়ৰ আই থান, খলিহামাৰীৰ বৈষ্ণৱ নামঘৰ আৰু কালী মন্দিৰৰ উন্নয়নৰ বাবে ১ লাখ ৫০ হাজাৰ টকাৰ প্ৰথমটো কিস্তি প্ৰদান কৰা হয়। শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনে কালি এই আৰ্থিক অনুদানৰ চেক প্ৰদান কৰি ধৰ্মীয় উপাসনাস্থলীসমূহে ভক্তপ্ৰাণ ৰাইজৰ আধ্যাত্মিক ভাৱৰ উত্তৰণ ঘটাব বুলি মত প্ৰকাশ কৰে।

০০০০০০

ধেমাজি জিলাৰ মৰিঢল মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধীনত নিলখ উচ্চ মাধ্যমিক বিদ্যালয়ত যোৱা ৭ মে'ৰ পৰা সপ্তাহজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত বিশেষ শিবিৰৰ কালি সামৰণি পৰে। ছাত্ৰ-ছাত্ৰীৰ মাজত নৈতিক প্ৰমূল্য, নেতৃত্ব গুণ আৰু সমাজসেৱাৰ মানসিকতা গঢ়ি তোলাৰ উদ্দেশ্যে অনুষ্ঠিত কৰা এই বিশেষ শিবিৰত দুৰ্যোগ ব্যৱস্থাপনা, বাল্য বিবাহ ৰোধ, মাদক দ্ৰব্য নিবাৰণ, কৃষি বিষয়ক সচেতনতা, বিশুদ্ধ খোৱাপানীৰ ব্যৱহাৰ আদি বিভিন্ন সজাগতামূলক কাৰ্যসূচী, পৰিচ্ছন্নতা অভিযান অনুষ্ঠিত হয়।

০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ যোৱা ৯ মে'ৰ পৰা বাতৰি বুলেটিনৰ সংশোধিত সময়সূচী আজি পুৱাৰ পৰা পুনৰ স্বাভাৱিক কৰা হৈছে। পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ভাৰতে চলোৱা **অপাৰেচন সিন্দূৰ** আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত উদ্ভৱ হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আকাশবাণীয়ে ইয়াৰ প্ৰতিঘণ্টাই প্ৰচাৰিত হিন্দী আৰু ইংৰাজী বাতৰিৰ সময়সূচী ৫ মিনিটৰ পৰা ১০ মিনিটলৈ বৃদ্ধি কৰিছিল। সেই অনুসৰি আকাশবাণী গুৱাহাটীৰ পৰা প্ৰচাৰিত আঞ্চলিক বাতৰিৰ সময়সূচীৰো সালসলনি ঘটোৱা হৈছিল। আজিৰ পৰা পুৱাৰ আঞ্চলিক বাতৰি পূৰ্বৰ সময় ৯ বজাত আৰু নিশাৰ আঞ্চলিক বাতৰি নিৰ্ধাৰিত সময় ৯ বাজি ২৫ মিনিটতেই প্ৰচাৰিত হ'ব। দিনৰ ১১ বজা, বিয়লি ৩ বজা আৰু নিশা ৮ বজাৰ মুখ্য বাতৰিও আজিৰে পৰা নিয়মীয়া সময় অনুসৰি প্ৰচাৰিত হ'ব।

০০০০০০

সম্ভাব্য বানৰ সময়ছোৱাৰ বাবে ল'বলগীয়া আগতীয়া প্ৰস্তুতি সন্দৰ্ভত আলোচনাৰ বাবে কালি ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ এখন সভা অনুষ্ঠিত হয়। এই সভাত প্ৰাধীকৰণৰ ফালৰ পৰা চলাই থকা প্ৰস্তুতি সন্দৰ্ভত সচিত্ৰ উপস্থাপন কৰা হয়। এই সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগক বান ক্ষতিগ্ৰস্তক সহায়ৰ বাবে স্থাপন কৰা আশ্ৰয় শিবিৰসমূহত যাৱতীয় ব্যৱস্থা সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হয়।

০০০০০০

সমাপ্ত